# 2023

## ASSAMESE

( Honours Core )

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিৱেশনশৈলী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) সংস্কৃত ৰূপকৰ ভাগ কেইটা?

(খ) ৰুক্মবীৰে ৰুক্মিণীক বিয়া দিবলৈ বিচৰা ৰজাজনৰ নাম কি?

(গ) অংকীয়া নাটসমূহ কি ভাষাত ৰচিত?

(ঘ) লোককলাৰ সমল থকা এখন অসমীয়া নাটৰ নাম লিখা।

(ঙ) 'গোপাল ওস্তাদ' ক'ৰ মানুহ আছিল?

(চ) শৈলধৰ ৰাজখোৱা ৰচিত নাট এখনৰ নাম লিখা।

(ছ) চন্দ্ৰাৱলী কোন?

(জ) 'নীলাম্বৰ' নাটত কমতাপুৰ ৰাজ্যৰ প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি?

(ঝ) 'কমল'ৰ প্ৰেয়সীগৰাকীৰ নাম কি?

(ঞ) 'আহাৰ' নাটখনত ধীৰেণ কোন?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটত ব্যৱহৃত দুবিধ আহাৰ্যৰ নাম লিখা।

(খ) 'ৰুক্মিণীহৰণ' নাটত ৰুক্মিণীৰ সখা দুগৰাকীৰ নাম কি?

(গ) 'নীলাম্বৰ' নাটত প্ৰথম দৃশ্যত উল্লেখ থকা পূজাৰীগৰাকী কোন মন্দিৰৰ? তেওঁ ৰজালৈ কি লৈ আহিছিল?

(ঘ) দুখন অসমীয়া এবচাৰ্ড নাটৰ নাম লিখা।

(ঙ) কৰুণা ডেকা ৰচিত প্ৰথম পূৰ্ণাঙ্গ নাটখনৰ নাম কি? নাটখন কিমান চনত ৰচনা কৰিছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(খ) 'ৰুক্মিণীহৰণ' নাটৰ ৰুক্মবীৰ চৰিত্ৰটিৰ বিষয়ে লিখা।

(গ) নাট্যকাৰ হিচাপে অৰুণ শৰ্মাৰ বিষয়ে আলোচনা কৰা।

(ঘ) "এজনী ৰাজহাঁহ হ'বৰ মন যায়। মোৰ চাৰিওপিনে পোৱালী কিছুমান অনবৰত ঘূৰি ফুৰিব আৰু সিহঁতৰ তদাৰক কৰি মই বিচৰণ কৰি ফুৰিম।" কোনে, কাক, কি প্ৰসঙ্গত কৈছিল? বুজাই লিখা।

(ঙ) 'উৰুখা' নাটখনৰ প্ৰশান্ত কোন? নাটখনত চৰিত্ৰটিৰ গুৰুত্ব কি, বুজাই লিখা।

(চ) 'নীলাম্বৰ' নাটখনত ৰাজিয়া চৰিত্ৰটিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) নাটকৰ ৰস বুলিলে কি বুজা? 'ৰুক্মিণীহৰণ' নাটৰ ৰস বিচাৰ কৰা।

*নতুবা*

নাটকৰ সন্ধি বুলিলে কি বুজা? 'ৰুক্মিণীহৰণ' নাটত পঞ্চসন্ধি দেখিবলৈ পোৱা যায়নে, বিশ্লেষণ কৰা।

(খ) এবচার্ড নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি এটি চমু নিবন্ধ যুগুত কৰা।

*নতুবা*

'আহাৰ' নাটৰ চৰিত্ৰসমূহৰ বিপৰীতধৰ্মী দিশসমূহৰ জৰিয়তে নাট্যকাৰে উপস্থাপন কৰিব বিচৰা বিষয়টি আলোচনা কৰা।

(গ) বিয়োগান্তক নাট হিচাপে 'নীলাম্বৰ' নাটখনৰ এটি আলোচনা আগবঢ়োৱা।

*নতুবা*

'নীলাম্বৰ' নাটত নন্দ চৰিত্ৰৰ গুৰুত্ব কি? বহলাই আলোচনা কৰা।

(ঘ) এখন মননশীল ইংগিতধৰ্মী নাটক হিচাপে 'উৰুখা' নাটখনৰ এটি পৰ্যালোচনা আগবঢ়োৱা।

*নতুবা*

'উৰুখা' নাটখনৰ চৰিত্ৰৰ মানসিক দ্বন্দ্ব কিদৰে তুলি ধৰিছে, আলোচনা কৰা।

***